# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 31-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

ধাৰাযাৰ বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলাৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি বজালী, বাক্সা, বৰপেটা, বঙাইগাঁও, চিৰাং, দৰং, ধুবুৰী, গোৱালপাৰা, কামৰূপ মহানগৰ, কামৰূপ, মৰিগাঁও, নলবাৰী, কাছাৰ, ডিমা হাচাও, হাইলাকান্দি, শ্ৰীভূমিকে ধৰি কেইবাখনো জিলাত আজি পুনৰ মজলীয়া বৰষুণ হোৱাৰ আশংকা আছে।

জিলা প্ৰশাসনসমূহে বিভিন্ন জিলাত বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে জৰুৰীকালীন অৱস্থাৰ জোৰা মৰাৰ বাবে আগতীয়াকৈ সকলো ব্যৱস্থা লৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি কামৰূপ জিলাৰ আমিনগাওঁৰ সংহত জিলা আয়ুক্তৰ সভাকক্ষত বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ মথাউৰিসমূহ শক্তিশালী কৰি ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তদুপৰি জিলা প্ৰশাসন বা ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ সহায়কাৰী দলৰ সৈতে ন্যূনতম এশ গৰাকী লোকৰ সাহায্য থকাটো নিশ্চিত কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। এই বৈঠকত জিলাখনৰ আয়ুক্তই কামৰূপ জিলাত এঘাৰটা ৰাজহ চক্ৰৰ অধীনত ৪১১ টা আশ্ৰয় শিবিৰৰ বাবে সকলো ব্যৱস্থা ৰখা হৈছে বুলি জানিবলৈ দিয়ে। হোজাই জিলাত কপিলী নৈৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি পোৱাৰ ফলত হোজাই পশ্চিম কাৰ্বি আংলং সীমান্তৱৰ্তী খাৰিখানা অঞ্চলৰ ৰাইজ শংকিত হৈ পৰিছে। ইপিনে, অৰুণাচল প্ৰদেশৰ লগতে ধেমাজী জিলাত হৈ থকা ধাৰাযাৰ বৰষুণৰ ফলত পাহাৰীয়া অঞ্চলসমূহত বানৰ আশংকা কৰি জিলা প্ৰশাসনে ৰাজহুৱা  জাননীযোগে সতৰ্কতা জাৰি কৰিছে। সেই অনুসৰি নৈত মাছ ধৰা, স্নান কৰা আদি কাৰ্যৰ পৰা নৈপৰীয়া ৰাইজক বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে। জৰুৰীকালীন পৰিস্থিতিৰ সন্মুখীন হ'লে ১০৭৭ নাইবা ৭৫৭৭০ ৩৫৬৩৯  নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। অসম মেঘালয় সীমান্তৱৰ্তী কামৰূপৰ বকোৰ হাহিম মাজপাৰাত আজি গিজাং নৈৰ বাঢ়নী পানীয়ে উটুৱাই নিয়াৰ ফলত ইপিশ এন চাংমা  নামৰ লোকজনৰ মৃত্যু হয়।

০০০০০

ভাৰতীয় সশস্ত্ৰ বাহিনীৰ তিনিওটা শাখাতে কৰ্ম সংস্থাপনৰ সুবিধা গ্ৰহণৰ বাবে অসমৰ নতুন প্ৰজন্মৰ মাজত আগ্ৰহ আৰু সজাগতা সৃষ্টিৰ প্ৰয়োজন আছে। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে আজি এই কথা প্ৰকাশ কৰে। শ্ৰীচৌধুৰীয়ে কয়, যে নৌ সেনা বাহিনীত নিয়োগৰ ক্ষেত্ৰত অপৰিসীম সা-সুবিধা আছে যদিও অসমত ইয়াৰ নিযুক্তি কেন্দ্ৰ নথকা হেতুকে আৰু এই সম্পৰ্কত আগ্ৰহ আৰু সচেতনতাৰ অভাৱ  হোৱা বাবে এই ক্ষেত্ৰত একেবাৰে কম সংখ্যক লোকহে বাহিনীটোত নিযুক্ত হয়। নৌ বাহিনীত ১২ টা ক্ষেত্ৰৰে সংযুক্ত হ'ব পাৰি আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ উপৰি কৰ্মচাৰী শ্বয়ন আয়োগ,  ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, অভিযান্ত্ৰিক

পাঠ্যক্ৰম, চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম আদিৰ পৰাও বাহিনীটোৰ উচ্চ পদত অধিস্থিত হোৱাৰ বাবে চেষ্টা চলাব পাৰি বুলি তেওঁ কয়। শ্ৰীগোস্বামীয়ে অনুষ্ঠানটোত কয় যে বিত্তীয় অসুবিধা, আগ্ৰহৰ অভাৱ, আৰু জীৱনত প্ৰত্যাহ্বান গ্ৰহণৰ মানসিকতা কম হোৱাৰ লগতে সহজে সফলতা লাভ কৰাৰ প্ৰতি ইচ্ছুক হোৱাৰ বাবে ৰাজ্যখনৰ নতুন প্ৰজন্মৰ অধিকাংশই সুৰক্ষা বাহিনীৰ চাকৰীৰ প্ৰতি আগ্ৰহী নহয়। অনুষ্ঠানটোত দুয়োগৰাকী অৱসৰপ্ৰাপ্ত বিষয়াই অপাৰেচন সিন্দূৰত সেনা বাহিনীৰ সফলতাৰ আঁৰৰ কথা প্ৰকাশ কৰে। তেওঁলোকে কয় যে ভাৰতে থলুৱা প্ৰযুক্তিৰ ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰি আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰে এইবাৰৰ অভিযানত অভিনৱ জয় সাব্যস্ত কৰিছে।

বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত **বৰষুণৰ এটা দিন** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কালি গুৱাহাটী মহানগৰীত হোৱা অভূতপূৰ্ব নগৰীয়া বানৰ সময়ত সৃষ্টি হোৱা অচলাৱস্থা আৰু এই সময়ত মানৱীয় প্ৰমূল্য সম্পৰ্কত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, আৰক্ষী কৰ্মচাৰী আৰু সাংবাদিকৰ মতামত শুনিবলৈ পাব। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ডিব্ৰুগড় বিমান বন্দৰৰ পৰা নিয়মীয়াকৈ সন্ধিয়াৰ বিমান সেৱা আৰম্ভ কৰাৰ দাবীত ডিব্ৰুগড় প্ৰেছ ক্লাৱে আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ জৰিয়তে কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ইয়াৰ আগেয়ে প্ৰেছ ক্লাৱে ডিব্ৰুগড় বিমান বন্দৰৰ ৰানৱে সম্প্ৰসাৰণ কৰি অঞ্চলটোৰ বাবে বিমান সংযোগৰ সুবিধা বৃদ্ধিৰ দাবী জনাইছিল। পৰৱৰ্তী সময়ত সংশ্লিষ্ট মন্ত্ৰালয়ে এই দাবীৰ প্ৰতি সহাঁৰি জনোৱাৰ লগতে ৰাজ্য চৰকাৰে ডঃ ভূপেন হাজৰিকা নামেৰে বিমানবন্দৰটো নামকৰণৰ দীৰ্ঘদিনীয়া দাবীক স্বীকৃতি দিয়াৰ বাবে প্ৰেছ ক্লাৱে ধন্যবাদ জ্ঞাপন কৰে। আজিৰ স্মাৰক পত্ৰখনত উজনি অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ ডিব্ৰুগড়ৰ ক্ৰমবৰ্ধমান গুৰুত্বৰ বিষয়ে উল্লেখ কৰি সন্ধিয়াৰ বিমানসেৱা নথকাতো অঞ্চলটোৰ উন্নয়নৰ দিশত বৃহৎ অন্তৰায় বুলি উল্লেখ কৰা হৈছে। এনে পদক্ষেপে কেৱল যোগাযোগ উন্নত কৰাই নহয় উজনি অসমৰ সংলগ্ন অঞ্চলৰ পৰ্যটন ব্যৱসায় আৰু শিক্ষা খণ্ড উন্নীত হ'ব বুলি পত্ৰখনত উল্লেখ কৰা হয়।

০০০০০

অসমীয়া লোক সংস্কৃতিৰ গৱেষক, দিহানাম আৰু বিহুৰ বিচাৰক ডঃ ডালিমী কোঁৱৰৰ আজি গুৱাহাটীৰ নুনমাটিৰ নিজ বাসগৃহত মৃত্যু হয়। কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা কোঁৱৰৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬৭ বছৰ। লোক সংস্কৃতিৰ গৱেষকগৰাকীৰ মৃত্যুত ৰাজ্যখনৰ সাংস্কৃতিক জগতৰ গুণমুগ্ধসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

বজালী জিলাৰ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী অধিবক্তা থিতাতে নিহত হয়। অধিবক্তাগৰাকী বজালী ছেছন ন্যায়াধীশ আদালতত কৰ্মৰত ভৱানীপুৰৰ ২৮ বছৰীয়া নাজমা য়াছমিন বুলি চিনাক্ত কৰা হৈছে।

০০০০০

সমাপ্ত